# U.S. Secretary of Defense Lloyd James Austin III calls on Prime Minister Shri Narendra Modi

March 19, 2021

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ মাৰ্কিন প্ৰতিৰক্ষা সচিব লয়ড জেমছ অষ্টিন তৃতীয়ৰ

**মাৰ্চ 19, 2021**

ভাৰত ভ্ৰমণৰত মাৰ্কিন প্ৰতিৰক্ষা সচিব লয়ড জেমছ অষ্টিন তৃতীয়ই আজি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে৷

এই উপলক্ষে অষ্টিনে প্ৰধানমন্ত্ৰী মোদীক ৰাষ্ট্ৰপতি বাইডেনৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে৷

প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ মাজত উষ্ণ আৰু নিবিড় সম্পৰ্কক আদৰণি জনায়৷ অভিন্ন গণতান্ত্ৰিক মূল্যবোধ, বহুস্তৰীয় আৰু নিয়মভিত্তিক প্ৰতিশ্ৰুতিক কেন্দ্ৰ কৰি এই সম্পৰ্ক গঢ় লৈ উঠিছে।

দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্বৰ বিষয়ত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ পৰিকল্পনাৰ কথা অৱগত কৰে৷ ভাৰত–মাৰ্কিন সম্পৰ্কত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে৷ ৰাষ্ট্ৰপতি বাইডেনকো প্ৰতিৰক্ষা সচিবৰ জৰিয়তে শুভেচ্ছা জনাবলৈ অনুৰোধ জনায়৷

দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰাৰ বিষয়ত মাৰ্কিন চৰকাৰৰ প্ৰতিশ্ৰুতি সম্পৰ্কে অষ্টিনে পুনৰ দোঁহাৰে৷ শান্তিপূৰ্ণ, সুস্থিৰ আৰু সমৃদ্ধ ভাৰত–প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ় দিয়াৰ বাবে মাৰ্কিন চৰকাৰ কৌশলগত অংশীদাৰিত্ব বৃদ্ধি কৰিবলৈ আগ্ৰহী বুলিও প্ৰধানমন্ত্ৰীক অৱগত কৰে মাৰ্কিন সচিবগৰাকীয়ে৷

**নতুন দিল্লী**

**মাৰ্চ 19, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.